**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 13-04-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

**::::::::::::::::::::**

১। ভাৰতৰ নাৰী শক্তিয়ে কঠোৰ পৰিশ্ৰম, সাহস আৰু আত্মবিশ্বাসেৰে সাফল্যৰ শিখৰ স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি জালিয়ানৱালাবাগৰ সাহসী শ্বহীদসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনাইছে।

৩। অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ আজি উৰুকা। বিহু উপলক্ষে অসমত আনন্দমুখৰ পৰিবেশৰ সৃষ্টি হৈছে।

৪। প্ৰসিদ্ধ সংগীত শিল্পী আশা ভোশলেৰ অন্ত্যেষ্টিক্ৰিয়া আজি বিয়লি ৪ বজাত মুম্বাইৰ শিৱাজী পাৰ্কত সম্পন্ন হ'ব।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত ছান ৰাইজাৰ্ছ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব।

ooooooo

ভাৰত নাৰী শক্তিয়ে কঠোৰ পৰিশ্ৰম, সাহস আৰু আত্মবিশ্বাসেৰে সফলতাৰ শিখৰ স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰকাশ কৰিছে। শ্ৰীমোডীয়ে মহিলাৰ সৱলীকৰণৰ বাবে সকলোকে একগোট হৈ সুযোগ সমূহৰ প্ৰসাৰ ঘটাবলৈ আহ্বান জনায়। নতুন দিল্লীত আয়োজিত নাৰী শক্তি বন্দন সন্মিলনত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতে মহিলা সবলীকৰণৰ বাবে উৎসৰ্গিত একবিংশ শতিকাৰ অন্যতম বৃহৎ সিদ্ধান্ত গ্ৰহণৰ দিশত অগ্ৰসৰ হৈছে। তেওঁ কয় যে, ভাৰতীয় সংসদ, অতীত আৰু ভৱিষ্যতৰ অভিলাষ পূৰণ কৰিব পৰাকৈ নতুন ইতিহাস সৃষ্টিৰ পথেৰে আগবাঢ়িছে। ৰাজ্যৰ বিধানসভাৰ পৰা দেশৰ সংসদ ভৱনলৈ মহিলা সকলৰ কেইবাদশকজোৰা অপেক্ষাৰ অহা ১৬, ১৭ আৰু ১৮ এপ্ৰিলত অন্ত পৰিব বুলি তেওঁ কয়। ২০২৩ চনত সংসদৰ নতুন ভৱনত চৰকাৰে নাৰী শক্তি বন্দন অধিনিয়ম প্ৰবৰ্তনৰ প্ৰথমটো পদক্ষেপ লৈছিলে বুলি তেওঁ মন্তব্য কৰে।

(বাইট)

প্ৰধানমন্ত্ৰীয়ে কয় যে, গণতন্ত্ৰত মহিলাৰ সৱলীকৰণে সমগ্ৰ প্ৰক্ৰিয়াটোক শক্তিশালী কৰে আৰু সেইবাবে সদনত মহিলাসকলৰ আসন সংৰক্ষণ অত্যন্ত গুৰুত্বপূৰ্ণ। স্বাধীনতা সংগ্ৰামৰ পৰা সংবিধান সভালৈ ভাৰতীয় মহিলা সকলে স্বাধীন ভাৰত গঢ়াৰ ক্ষেত্ৰত লৈ অহা শক্তিশালী ভূমিকাৰ বিষয়ে তেওঁ উল্লেখ কৰে। শ্ৰীমোডীয়ে কয় যে, ভাৰতীয় মহিলা সকলে নিজস্ব গৰিমাৰে ৰাষ্ট্ৰপতিৰ পৰা প্ৰধানমন্ত্ৰীলৈ দেশৰ শীৰ্ষ পদবীত অধিষ্ঠিত হৈছে। পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ মহিলাৰ নেতৃত্ব প্ৰদানৰ উল্লেখনীয় উদাহৰণ বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে, সম্প্ৰতি ১৪ লাখৰো অধিক মহিলাই দেশৰ স্থানীয় নিকায় সমূহত সেৱা আগবঢ়াই আছে। ২০১৪ চনৰ পৰা এন ডি এ চৰকাৰে জীৱনৰ প্ৰতিটো স্তৰতে মহিলা সকলক সহায় আগবঢ়াব পৰা আঁচনি প্ৰণয়ন আৰু ৰূপায়ন কৰি আহিছে।

(বাইট)

এই অনুষ্ঠানত অংশ লৈ মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কয় যে, নাৰী শক্তি বন্দন অধিনিয়মে মহিলাৰ সৱলীকৰণ, আত্মসন্মান আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াত তেওঁলোকৰ অংশগ্ৰহণ বৃদ্ধি কৰিব। সম্প্ৰতি দেশৰ কন্যা শিশু সকলে উন্নয়নৰ ধবজা বহন কৰিছে বুলি তেওঁ উল্লেখ কৰে। মহিলা কেন্দ্ৰীক বিকাশৰ জৰিয়তে ভাৰতে আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত নতুন পৰিচিতি লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত অংশ লৈ দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দেশক বিকাশৰ পথেৰে লৈ যোৱাৰ লক্ষ্যৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰীৰ পৰিকল্পনা মৰ্মে বিভিন্ন আঁচনি আৰু নীতিসমূহ মহিলাক অগ্ৰাধিকাৰ দি ৰূপায়ন কৰা হৈছে। উল্লেখযোগ্য যে অহা ১৬ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ হ'বলগীয়া সংসদৰ বিশেষ অধিবেশনৰ পাছতে দেশত নাৰী শক্তি বন্দন অধিনিয়ম কাৰ্য্যকৰী হ'ব বুলি আশা কৰা হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ আজি জালিয়ানৱালাবাগৰ সাহসী শ্বহীদসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে তেওঁলোকৰ ত্যাগে দেশবাসীৰ মনত প্ৰেৰণাৰ শক্তিশালী স্মৃতি হিচাপে কাম কৰি থাকিব। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে তেওঁলোকে প্ৰদৰ্শন কৰা সাহস আৰু দৃঢ়তাই ভৱিষ্যৎ প্ৰজন্মক স্বাধীনতা, ন্যায় আৰু মৰ্যাদাৰ প্ৰমূল্যৰ ৰক্ষক হিচাপে থিয় দিবলৈ প্ৰেৰণা যোগাই যাব।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে  উল্লেখ কৰে যে ১৯১৯ চনৰ আজিৰ দিনটোত ব্ৰিটিছ্ প্ৰশাসকৰ অমানৱীয় আৰু নৃশংসতা জালিয়ানৱালাবাগত স্পষ্ট হৈ উঠিছিল। তেওঁ কয় যে সেইদিনা একাংশ অস্ত্ৰহীন লোকৰ শান্তিপূৰ্ণ সমাবেশত ব্ৰিটিছে নিৰ্বিচাৰ গুলীবৰ্ষণ কৰিছিল। এই ঘটনাই সমগ্ৰ দেশক জোকাৰি গৈছিল বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে ইয়াৰ পাছতে ভগত সিং আৰু উধাম সিঙৰ দৰে দেশপ্ৰেমী বিপ্লৱীৰ হৃদয়ত স্বাধীনতাৰ আকাংক্ষাৰ জুইকুৰা জ্বলি উঠিছিল।

0000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ১৯১৯ চনৰ আজিৰ দিনটোতে জালিয়ানৱালাবাগত ব্ৰিটিছৰ গুলীত মৃত্যু হোৱা লোকসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসিঙে কয় যে এই লোকসকলৰ আত্মত্যাগ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত জিলিক ৰ'ব আৰু দেশবাসীক চিৰকাল উদ্বুদ্ধ কৰিব। তেওঁ কয় যে তেওঁলোকৰ সাহসে প্ৰজন্মৰ পাছত প্ৰজন্মক ন্যায়, মৰ্যাদা আৰু আত্মসন্মানৰ হকে থিয় দিবলৈ সদায় প্ৰেৰণা যোগাই থাকিব।

000000000

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ আজি উৰুকা। কাইলৈ অসমবাসীয়ে গৰু বিহুৰ দিনা পৰম্পৰাগত ৰীতি-নীতিৰে গৰুক গা ধুৱাই গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিব। গৰু বিহুৰ বাবে প্ৰয়োজনীয় মাখিয়তি, দীঘলতিকে ধৰি সামগ্ৰী সমূহ কিনিবলৈ ৰাজ্যৰ বজাৰ সমূহত বহু লোকৰ সমাগম হৈছে। কাইলৈ পুৱাই গ্ৰামাঞ্চলৰ জনসাধাৰণে নৈ, বিল আদিত গৰুক গা-ধুৱাই, লাও-বেঙেনা, হালধি আদি খুৱাই কৃষিৰ বাবে প্ৰয়োজনী গৰুৰ শ্ৰীবৃদ্ধিৰ বাবে পৰম্পৰা পালন কৰিব। পৰহিলৈ মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱানখন আগবঢ়াই পৰস্পৰক বিহুৰ ওলগ যাঁচিব। অসমীয়া নতুন বছৰটিক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ৰাজ্যজুৰি ঢোল-পেঁপা-গগনাৰ মাতত নান্দনিক পৰিৱেশৰ সৃষ্টি হৈছে। গ্ৰামাঞ্চলৰ লগতে চহৰাঞ্চলতো বিহু হুঁচৰিৰ আখৰা প্ৰায় সম্পূৰ্ণ হৈছে। ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। বিভিন্ন বিহু কমিটীয়ে এইবাৰ বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এটা দিন সুধাকণ্ঠৰ নামত উৎসৰ্গা কৰাৰ লগতে জনতাৰ শিল্পী জুবিন গাৰ্গলৈও শ্ৰদ্ধা নিবেদিব। ১৯৫২ চনতে প্ৰতিষ্ঠা হোৱা লতাশিলৰ গুৱাহাটী বিহু সন্মিলনীয়ে এইবেলি

মহাৰজত জয়ন্তী পালন কৰিব। চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এইবাৰ এটা দিন জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰিব বুলি বিহু সন্মিলনীৰ উদযাপন সমিতিয়ে প্ৰকাশ কৰিছে।

বহিঃৰাজ্যৰ যন্ত্ৰচালিত তাঁতশালৰ গামোচা কোনো অসাধু ব্যৱসায়ীয়ে যাতে বিক্ৰী কৰিব নোৱাৰে তাৰবাবে অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগে বজাৰসমূহত সতৰ্ক দৃষ্টি ৰাখিছে। আমবাৰীৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প সঞ্চালকালয়ৰ চৌহদত থলুৱা শিল্পীয়ে বোৱা গামোচা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। মহানগৰীৰ ঠায়ে ঠায়ে দিয়া আত্মসহায়ক গোটসমূহৰ গামোচাৰ বিপণীতো গ্ৰাহকৰ ভিৰ দেখা গৈছে।

০০০০০

প্ৰসিদ্ধ সংগীত শিল্পী আশা ভোশলেৰ অন্ত্যেষ্টিক্ৰিয়া আজি বিয়লি ৪ বজাত মুম্বাইৰ শিৱাজী পাৰ্কত সম্পন্ন হ'ব। মুম্বাইৰ ব্ৰিছ কেনডি হস্পিতালত কালি ৯২ বছৰ বয়সত শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল। চহৰখনৰ ল'ৱাৰ পৰেলত থকা বাসগৃহত শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ ব্যৱস্থা কৰা হৈছে। বৰ্ষীয়ান অভিনেত্ৰী আশা পাৰেখ, যশস্বী সংগীত শিল্পী এ আৰ ৰহমান, কিংবদন্তী ক্ৰিকেটাৰ শচীন টেণ্ডুলকাৰকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে শিল্পী গৰাকীলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। এন চি পিৰ নেত্ৰী সুপ্ৰিয়া ছুলে, অভিনেত্ৰী টাবু, মুম্বাইৰ মেয়ৰ ৰীতু টাৱাৰকে ধৰি সমাজৰ বহু বিশিষ্ট ব্যক্তিয়ে তেওঁক অন্তিম শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০০০০

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে সামৰিক সচিব মেজৰ জেনেৰেল ৰোমান গফমেনক গুপ্তচৰ সংস্থা মোছাডৰ ইজৰাইলী ইনষ্টিটিউট ফৰ ইণ্টেলিজেণ্টছ এণ্ড স্পেচিয়েল অপাৰেচনছৰ পৰৱৰ্তী সঞ্চালক হিচাপে নিযুক্তি দিছে। জ্যেষ্ঠ পদবীসমূহত নিযুক্তিৰ বাবে থকা উপদেষ্টা সমিতিৰ অনুমোদন ক্ৰমে প্ৰধানমন্ত্ৰী নেতান্যাহুৱে এই নিযুক্তি দিয়ে। সামাজিক মাধ্যমৰ এটা বাৰ্তা শ্ৰীনেতান্যাহুৱে গফমেনক প্ৰশংসা কৰি কয় যে তেওঁ চলিত যুদ্ধৰ সময়ত বিভিন্ন ফলপ্ৰসূ চিন্তাৰে চৰকাৰক সহায় কৰিছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে জাৰি কৰা বিবৃতি অনুসৰি ৰোমান গফমেন চলিত বছৰৰ ২ জুলাইৰ পৰা পাঁচ বছৰীয়া কাৰ্যকালৰ বাবে এই পদত থকিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত ছান ৰাইজাৰ্ছ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইফালে যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত লীগ পৰ্যায়ৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে মুম্বাই ইণ্ডিয়ানছক ১৮ ৰানৰ ব্যৱধানত পৰাস্ত কৰে।

আন এখন খেলত কালি গুজৰাট টাইটানছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০

সমাপ্ত